# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-02-2026
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। বিধানসভাত আজি বিত্তমন্ত্ৰীৰ ২০২৬-২৭ বৰ্ষৰ অন্তৰৰ্তী লেখানুদান দাখিল।

২। নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দলৰ আজি গুৱাহাটীত ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়াৰ সৈতে বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ পৰ্যালোচনা।

৩। ডিফুত আজি এহেজাৰ ৯৪৬ গৰাকী উদ্যোগীৰ মাজত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ ধনৰাশি বিতৰণ।

৪। ডিমাছা ভাষাক নৱম আৰু দশম শ্ৰেণীত ঐচ্ছিক বিষয় হিচাপে প্ৰৱৰ্তন কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

*আৰু*

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা অনুষ্ঠিত খেলত অষ্ট্ৰেলিয়াক পৰাস্ত কৰি শ্ৰীলংকাৰ ছুপাৰ এইটত প্ৰৱেশ।

০০০০০০০

চাৰিদিনীয়া কাৰ্যসূচীৰে কালিৰেপৰা দিছপুৰত অনুষ্ঠিত পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি ২০২৬-২৭ বৰ্ষৰ অন্তৰৰ্তী লেখানুদান উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ'ব। আজি প্ৰশ্নোত্তৰ শিতানেৰে অধিৱেশনৰ কাম-কাজ আৰম্ভ হ'ব। ইয়াৰ পাছতে কাৰ্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰা হ'ব। ইয়াৰ লগতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভতো আলোচনা অনুষ্ঠিত হ'ব। এই আলোচনাত শাসক-বিৰোধী উভয় পক্ষৰ বিধায়কে অংশ ল'ব।

উল্লেখযোগ্য যে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে কালি অসম বিধান সভাৰ অধিবেশন আৰম্ভ হয়। ৰাজ্যপালগৰাকীয়ে নিজৰ ভাষণত অসমৰ অৰ্থনৈতিক যাত্ৰাপথৰ বিষয়ে আলোকপাত কৰে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭ লাখ কোটি টকা অতিক্ৰম কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

বিত্তমন্ত্ৰী অজন্তা নেওগে কালি সদনত বিত্ত বিভাগৰ দুখন ৰাজপত্ৰিত অধিসূচনাৰ লগতে ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পাছতে মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় সংশোধনী অধ্যাদেশ ২০২৬ আৰু মন্ত্ৰী যোগেন মহনে সমবায় বিভাগৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। মন্ত্ৰী নন্দিতা গাৰ্লোছাই ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ২০২৩-২৪ বিত্তীয় বিভাগৰ প্ৰশাসনীয় প্ৰতিবেদন আৰু মন্ত্ৰী প্ৰশান্ত ফুকনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন আৰু সমৰ্থন কৰা হয়। মন্ত্ৰী অজন্তা নেওগে ২০২৫-২৬ বৰ্ষৰ মঞ্জুৰিৰ বাবে পৰিপূৰক দাবী আৰু বিনিয়োজনসমূহ উত্থাপন কৰে।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল কালি সন্ধিয়া অসমত উপস্থিত হয়। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত অহা ১২ জনীয়া দলটোক ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ লগতে কেইবাগৰাকীও বিষয়াই বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত আদৰণি জনায়। দলটোৱে আজি মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনা মিলিত হ'ব আৰু বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে কাইলৈ বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে নিৰ্বাচনৰ বিভিন্ন বিষয় লৈ আলোচনা কৰিব। দলটোৱে কাইলৈ ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। কাইলৈ বিয়লি দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব। দলটোৱে লগতে ৰাজ্যৰ আৰক্ষী মহাপৰিদৰ্শক, ক্ষেত্ৰীয় আৰক্ষী উপ মহাপৰিদৰ্শক, জিলা নিৰ্বাচন বিষয়া তথা দণ্ডাধীশ আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ সৈতেও ভোটগ্ৰহণৰ প্ৰস্তুতি সন্দৰ্ভত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰিব। নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দলটোৰ অসম ভ্ৰমণ সন্দৰ্ভত এয়া আমাৰ কামৰূপ মহানগৰ জিলাৰ সংবাদাদাতা হেমন্ত বৰা-

*-বাইট-*

0000000

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি ডিফুত কাৰ্বি আংলং, ডিমা হাচাও আৰু পশ্চিম কাৰ্বি আংলঙৰ মুঠ এহেজাৰ ৯৪৬ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে ডিফুৰ কে এ এছ এ ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডঃ তুলিৰাম ৰংহাং আৰু মন্ত্ৰী নন্দিতা গাৰ্লোচাই অংশ ল'ব। আঁচনিখনৰ দ্বিতীয় পৰ্যায়ত কাৰ্বি আংলং জিলাৰ এহেজাৰ দুগৰাকী, ডিমা হাচাওৰ ৪৮৭ গৰাকী আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ ৪৫৭ গৰাকী উদ্যোগীৰ মাজত আৰ্থিক সাহায্য বিতৰণ কৰা হ'ব।

ইপিনে, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কালি তামুলপুৰ জিলাত আয়োজিত অনুষ্ঠানত বাক্সা, ওদালগুৰি আৰু তামুলপুৰ জিলাৰ সম্ভাব্য উদ্যোগীসকলক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হয়। এই অনুষ্ঠানত তামুলপুৰ জিলাৰ এহেজাৰ ১৩১ গৰাকী, বাক্সা জিলাৰ এহেজাৰ ২৩৩ গৰাকী আৰু ওদালগুৰি জিলাৰ দুহেজাৰ ৪০৪ গৰাকী হিতাধিকাৰীকে ধৰি মুঠ ৪ হাজাৰ ৮৬৮ গৰাকী হিতাধিকাৰীক ধন বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত ধনৰাশি বিতৰণ কৰি দিয়া ভাষণত এই আঁচনিয়ে যুৱক-যুৱতীসকলক স্বাৱলম্বী কৰি তোলাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। এই অভিযানৰ জৰিয়তে ৰাজ্যৰ ৭৫ হাজাৰ যুৱক-যুৱতী উপকৃত হ'ব আৰু এতিয়ালৈকে ৪৮ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিছে বুলি প্ৰকাশ কৰে।

0000000

ৰাজ্য চৰকাৰে ভাষা সংস্কৃতি সংৰক্ষণৰ বাবে গ্ৰহণ কৰা শক্তিশালী পদক্ষেপৰ অংশ হিচাপে ডিমাচা ভাষাক নৱম আৰু দশম শ্ৰেণীত ঐচ্ছিক বিষয় হিচাপে প্ৰৱৰ্তন কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে ডিমাচা ভাষাৰ স্বকীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মাধ্যমিক পৰ্যায়ত ইয়াক শিক্ষাৰ মাধ্যম হিচাপে প্ৰৱৰ্তনৰ ব্যৱস্থা কৰা হৈছে। ২০২৬-২৭ শিক্ষা বৰ্ষৰ পৰা নৱম শ্ৰেণী আৰু ২০২৭-২৮ বৰ্ষৰ পৰা দশম শ্ৰেণীত ভাষাটোক ঐচ্ছিক ভাষা হিচাপে প্ৰৱৰ্তন কৰা হ'ব। আধুনিক ভাৰতীয় ভাষাৰ বিকল্প হিচাপে ভাষাটোৰ শিক্ষাদান কৰা হ'ব।

0000000

কার্বি জনগোষ্ঠীৰ কলাকৃষ্টিৰ সংৰক্ষণ প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্যৰে কালিৰেপৰা কার্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত পাঁচদিনীয়া কাৰ্যসূচীৰে ৫২ সংখ্যক কার্বি যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। কার্বি লোকনৃত্য, গীত, সাজপাৰ আৰু পৰম্পৰাগত খেল-ধেমালিৰ সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰসাৰৰ বাবে কার্বি সাংস্কৃতিক সমাজৰ উদ্যোগত এই যুৱ মহোৎসৱৰ আয়োজন কৰি অহা হৈছে। কালি আৰম্ভণিতে চাৰি সহস্ৰাধিক শিল্পীৰ অংশগ্ৰহণেৰে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। মহোৎসৱত হাংগেৰী আৰু টাইৱানৰ ৰাষ্ট্ৰদূত দুগৰাকীয়ে অংশ লৈছে। কেৰালা আৰু অন্ধ্ৰপ্ৰদেশৰ সাংস্কৃতিক গৱেষকৰ এটা দলেও এই মহোৎসৱত ভাগ লৈছে।

এইবাৰ কার্বি যুৱ মহোৎসৱত খিলঞ্জীয়া ৰন্ধনশৈলী, খাদ্যসম্ভাৰ, বাঁহ-বেতৰ শিল্পৰ প্ৰদৰ্শনী আদিৰ আয়োজন কৰা হৈছে। জিলাখনৰ কার্বি সাংস্কৃতিক সমাজৰ মাগুলিক সমিতিৰ উপৰি অৰুণাচল প্ৰদেশ, মেঘালয় তথা অসমৰ ডিমা হাচাও, নগাঁও, হোজাই আৰু বিশ্বনাথ জিলাৰ মাগুলিক সমিতিৰ যুৱক-যুৱতীসকলে এই মহোৎসৱত অংশ লৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

এই মহোৎসৱ সন্দৰ্ভত এয়া কার্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড° তুলিৰাম ৰংহাং–

***ভইচকাষ্ট***

০০০০০০০

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনকেন্দ্ৰীক তৎপৰতা বৃদ্ধি পাইছে। বিজেপিয়ে চলিত মাহতে মিত্ৰতা আৰু প্ৰাৰ্থী সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত ল'ব বুলি প্ৰকাশ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২০ ফেব্ৰুৱাৰীত পুনৰ অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে কাইলৈ কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী অসমলৈ আহিব। বিজেপিৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনেও কাইলৈ অসম ভ্ৰমণ কৰিব। ইপিনে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও নেতা তথা সদস্যই দলীয় দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ লগতে আন দলতো যোগদান কৰা পৰিলক্ষিত হৈছে। অসম ৰাজ্যিক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ নেতা ভূপেন বৰাই কালি দলটোৰ পৰা পদত্যাগ কৰে। নিৰ্বাচনী প্ৰচাৰ সমিতিৰ অধ্যক্ষৰ পদত থকা শ্ৰীবৰাই ইতিমধ্যে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ শীৰ্ষ বিষয়ালৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। ইয়াৰ মাজতে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ৰাজনৈতিক দলৰ নিৰ্বাচনী মিত্ৰতা সন্দৰ্ভত আলোচনা অব্যাহত আছে। কালি নিৰ্বাচনী মিত্ৰতা সন্দৰ্ভত আলোচনা কৰাৰ বাবে কংগ্ৰেছে এখন বৈঠকৰ আয়োজন কৰে। এই বৈঠক সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে এইদৰে কয়।

***-বাইট-***

অসম গণ পৰিষদৰ মাজুলী জিলা সমিতিৰ উদ্যোগত জিলাখনৰ গড়মূৰৰ বংশী গোপাল নাট্য মন্দিৰত কালি দলটোৰ বুথ সন্মিলন অনুষ্ঠিত হয়। অগপৰ জ্যেষ্ঠ নেতা তথা সাংসদ ফণীভূষণ চৌধুৰী আৰু বীৰেন্দ্ৰপ্ৰসাদ বৈশ্যই এই সন্মিলনত অংশগ্ৰহণ কৰে। সন্মিলনত অগপৰ মাজুলী বিধান সভা সমষ্টি সমিতিৰ সভাপতি ব্ৰজেন গামৰ লগতে দলটোৰ কেইবাগৰাকীও কেন্দ্ৰীয় বিষয় ববীয়াই অংশগ্ৰহণ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড়ৰ মানকটা খেলপথাৰত কাইলৈ হ'বলগীয়া বিজেপিৰ কাৰ্যকৰী সন্মিলনৰ প্ৰস্তুতিৰ বুজ লয়। দলটোৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে অংশগ্ৰহণ কৰিবলগীয়া এই সন্মিলনৰ প্ৰস্তুতিৰ বুজ লয় শ্ৰীসোণোৱালে দলীয় কৰ্মকৰ্তাসকলক উৎসাহিত কৰে। সভাস্থলী পৰিদৰ্শন কৰাৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগত বিজেপিৰ অসম ৰাজ্যিকৰ প্ৰভাৰী হৰিশ দ্বিবেদী, ৰাজ্যিক কমিটীৰ সম্পাদক ঋতুপৰ্ণ বৰুৱাকে ধৰি কেইবাজনো ৰাজ্যিক নেতা উপস্থিত থাকে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণত উল্লেখ কৰা আপত্তিজনক কথাৰ অভিযোগত দাখিল হোৱা আবেদনৰ শুনানি গ্ৰহণ কৰি আবেদনকাৰীক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপিবলৈ নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ সূৰ্যকান্তৰ নেতৃত্বত গঠিত তিনিজনীয়া বিচাৰপীঠে কালি আবেদনৰ শুনানি গ্ৰহণ কৰি কয়, যে উচ্চ ন্যায়ালয়ক অতিক্ৰম কৰি উচ্চতম ন্যায়ালয়লৈ পোনপটীয়াকৈ অহাটোৱে ন্যায়িক ব্যৱস্থাৰ মৰ্যাদা শূন্য কৰে। বিচাৰপীঠখনে আদালতক ৰাজনৈতিক অৰিয়াঅৰি মঞ্চ নকৰিবলৈ আহ্বান জনোৱাৰ লগতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক এই আবেদনৰ শুনানি ক্ষিপ্ৰতাৰে গ্ৰহণ কৰিবলৈ বাৰ্তা প্ৰেৰণ কৰে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ এটা ভিডিঅ’ আৰু আপত্তিজনক ভাষণৰ বিৰুদ্ধে এই আবেদন দাখিল কৰা হৈছিল।

0000000

বি.এন.পিৰ অধ্যক্ষ তাৰিক ৰহমানে আজি বাংলাদেশৰ প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। ঢাকাত হবলগীয়া শপতগ্ৰহণ অনুষ্ঠানত ভাৰতৰ হৈ লোকসভাৰ অধ্যক্ষ ওম বিৰলাই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোত ভাৰতৰ বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়েও অংশ লব। চুবুৰীয়া দেশখনৰ শেহতীয়া সংসদীয় নিৰ্বাচনত বাংলাদেশ নেচনেলিষ্ট পাৰ্টিৰ নেতৃত্বত গঠিত মিত্ৰজোঁটে জয়লাভ কৰিছিল। শেহতীয়া সংসদীয় নিৰ্বাচনত বিএনপি নেতৃত্বাধীন মিত্ৰজোঁটে ২১২খন আসন লাভ কৰাৰ বিপৰীতে জামাত-ই-ইছলামী নেতৃত্বাধীন মিত্ৰজোঁটে ৭৭খন আসন লাভ কৰিছিল।

0000000

টি টুৱেন্টি বিশ্বকাপ ক্ৰিকেটত কালি কেনডি পাললেকেলে ক্ৰিকেট ষ্টেডিয়ামত শ্ৰীলংকাই অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ছুপাৰ এইট পৰ্যায়ত স্থান নিশ্চিত কৰিছে। খেলখনত ১৮ অভাৰ আৰু দুটা বলত মাত্ৰ দুটা উইকেটৰ বিনিময়ত শ্ৰীলংকাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। শ্ৰীলংকাৰ হৈ পাথুম নিছাংকাৰে ৫২টা বলত শতক অৰ্জন কৰে আৰু কুশল মেণ্ডিচে ৫১ ৰান সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰা অষ্ট্ৰেলিয়াৰ হৈ অ’পেনাৰ মিচেল মাৰ্চ আৰু ট্ৰেভিছ হেডে দ্ৰুত অৰ্ধশতক অৰ্জন কৰিছিল। অৱশ্যে শ্ৰীলংকাই মিডল অভাৰত অষ্ট্ৰেলিয়াৰ ৯টা উইকেট দখল কৰি ১৮১ ৰানত সীমাবদ্ধ কৰি ৰাখে। খেলখনত শ্ৰীলংকাৰ হৈ দুষান হেমন্তাই তিনিটা উইকেট আৰু দুষমন্ত চমীৰণাই দুটা উইকেট দখল কৰে। পাথুম নিছাংকাক প্লেয়াৰ অৱ দ্য মেচ সন্মান প্ৰদান কৰা হয়।

কলকাতাৰ ইডেন গাৰ্ডেনত অনুষ্ঠিত গ্ৰুপ চি পৰ্যায়ৰ আন এখন খেলত কালি ইংলেণ্ডে ইটালীক ২৪ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ইংলেণ্ডে ২০৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল। প্ৰত্যুত্তৰত ইটালীয়ে নিৰ্ধাৰিত ২০ অভাৰত ১৭৮ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। খেলখনত প্ৰথমে বেট ধৰি ইংলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২০২ ৰান সংগ্ৰহ কৰিছিল।

ইয়াৰ পূৰ্বে নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত আফগানিস্তানে গ্ৰুপ ডিৰ আন এখন খেলত সংযুক্ত আৰব আমিৰ শ্বাহীৰ বিৰুদ্ধে পাঁচ উইকেটৰ বিনিময়ত জয়লাভ কৰে। আফগানিস্তানে ১৯ অভাৰ আৰু ২টা বলত ৫টা উইকেটৰ বিনিময়ত ১৬১ ৰানৰ লক্ষ্য ভেদ কৰে।

প্ৰতিযোগিতাত আজি গ্ৰুপ ডিৰ এখন খেলত নিউজিলেণ্ডে কানাডাৰ বিৰুদ্ধে খেলিব। দ্বিতীয়খন খেলত পালেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত আয়াৰলেণ্ডে জিম্বাবুৱেৰ বিৰুদ্ধে খেলিব। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত আন এখন গ্ৰুপ চি মেচত নেপাল, স্কটলেণ্ডৰ মুখামুখি হ'ব।

০০০০০০০

## *News Paper Review*

২০২৪ বৰ্ষৰ এ পি এছ্ চি পৰীক্ষাৰ ফলাফল কালি ঘোষণা কৰাৰ পাছতেই জাননীৰ জৰিয়তে পৰীক্ষাৰ ফলাফল বাতিল কৰা বুলি আয়োগে উল্লেখ কৰাৰ বাতৰি আজি প্ৰকাশিত প্ৰতিখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতৰ এই বাতৰিৰ শিৰোনাম- ফলাফল ঘোষণাৰ দুঘণ্টাৰ পাছতে কৰিলে বাতিল। অভূতপূৰ্ব, ঘোষণাৰ পাছতে বাতিল ফলাফল শিৰোনামেৰে বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতেও মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

কংগ্ৰেছ্ দলৰ প্ৰাক্তন ৰাজ্যিক সভাপতি ভূপেন বৰাই কালি দলৰ কেন্দ্ৰীয় নেতৃত্বলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পৰিস্থিতিৰ বাতৰি **দৈনিক অসম** আৰু **দ্য টাইমছ অব ইণ্ডিয়া** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত স্থান দিছে। **নিয়মীয়া বাৰ্তা** কাকতৰ এই বাতৰিৰ শিৰোনাম- স্বাভিমানী ভূপেন বৰাৰ কংগ্ৰেছ্ ত্যাগ।

বিৰোধীৰ প্ৰতিবাদৰ মাজতে ৰাজ্যপালৰ ভাষণেৰে অসম বিধানসভাৰ বাজেট অধিবেশন আৰম্ভ হোৱাৰ বাতৰি **দি আছাম ট্ৰিবিউন** কাকতৰ লগতে আন আন কাকতেও আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

আজি অজন্তাৰ লেখানুদান শিৰোনামেৰে **আমাৰ অসম** কাকতেও বাতৰিটোক গুৰুত্ব দিছে।

তিনিদিনীয়া কাৰ্যসূচীৰে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত গুৱাহাটীত আয়োগৰ প্ৰতিনিধি দল কালি উপস্থিত হোৱাৰ বাতৰি **অসমীয়া খবৰ আৰু দ্য ছেণ্টিলেল** কাকতে প্ৰকাশ কৰিছে।

ডিফুৰ তৰালাংছুত ৫২ সংখ্যক কাৰ্বি যুৱ মহোতসৱ কালি আৰম্ভ হোৱাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ…।

০০০০০০০

সামাজিক সাংস্কৃতিক অনুষ্ঠান জ্যোতিৰূপাৰ অষ্টদশ বাৰ্ষিক সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱা নাট সমাৰোহ ২৪ ফেব্ৰুৱাৰীৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাৰ পৰা নাটসমূহ পৰিৱেশন কৰা হ'ব। কালি জ্যোতিৰূপাৰ উদ্যোক্তাসকলে এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি উদ্বোধনী অনুষ্ঠানৰ পাছতে মাণিক ৰয় পৰিচালিত 'মধুমক্ষিকা' নাটখন মঞ্চস্থ কৰা হ'ব। ২৫ ফেব্ৰুৱাৰীত জ্যোতি নাৰায়ণ নাথৰ ৰচনা আৰু পৰিচালনাৰে সোণালী বেলি নাটখন মঞ্চস্থ কৰা হ'ব। ২৬ ফেব্ৰুৱাৰীত উজলা বৰ্মনৰ কাহিনীত অম্লানদীপ শইকীয়াই নাট্যৰূপ দিয়া 'বুকুৰ সৰু চৰাই' নাটখন মঞ্চস্থ কৰা হ'ব। এই অনুষ্ঠানতে বিশিষ্ট অভিনেতা তৌফিক ৰহমানক জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হ'ব বুলি সংগঠনটোৱে প্ৰকাশ কৰে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্রা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ আৰু অসমৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ আৰু মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

0000000

**সমাপ্ত**